# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 19-05-2025
**Time :** 1910 hrs

ASSAMESE EVENING BULLETIN

## HEADLINES

১। ইউৰোপত ত্রিদেশীয় ভ্রমণসূচীৰে বৈদেশিক পৰিক্রমা মন্ত্রী ড° এছ জয়শংকৰ আজি নেডাৰলেণ্ডছৰ ৰাজধানী দ্যা হেগত উপস্থিত হৈছে।

২। কেন্দ্রই গঠন কৰি দিয়া সৰ্বদলীয় দলসমূহে বিভিন্ন ৰাষ্ট্র ভ্রমণ কৰি বিশ্ব নেতাসকলৰ আগত অপাৰেশ্বন সিন্দূৰৰ খতিয়ান দাঙি ধৰাৰ লগতে সন্ত্রাসবাদ দমনৰ বাবে ভাৰতে গ্রহণ কৰা পদক্ষেপৰ কথা প্রকাশ কৰিব বুলি কেন্দ্রীয় মন্ত্রী কিৰেন ৰিজিজুৱে মন্তব্য কৰিছে।

৩। কেন্দ্রীয় মন্ত্রী চিৰাগ পাছোৱানে খাদ্য প্রসংস্কৰণৰ ক্ষেত্রত উন্নয়নৰ অপৰিসীম সম্ভাৱনা আছে বুলি প্রকাশ কৰিছে।

*আৰু*

৪। আই পি এল ক্রিকেট প্রতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

oooooo

ইউৰোপত ত্রিদেশীয় ভ্রমণসূচীৰে বৈদেশিক পৰিক্রমা মন্ত্রী ড° এছ জয়শংকৰ আজি নেডাৰলেণ্ডছৰ ৰাজধানী দ্যা হেগত উপস্থিত হৈছে। মন্ত্রীগৰাকীক নেডাৰলেণ্ডছত থকা ভাৰতৰ ৰাষ্ট্রদূত কে আৰ টুহিন আৰু দেশখনৰ পৰৰাষ্ট্র কাৰ্যালয়ৰ সঞ্চালক গেব্রিয়েলা চানচিচিয়ে আদৰণি জনায়। আজি পুৱা ড০ জয়শংকৰ নেডাৰলেণ্ডছৰ ৰাজধানী দ্যা হেগত দেশখনৰ প্রতিৰক্ষা বিশেষজ্ঞসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে ড০ জয়শংকৰে কয়, যে বৰ্তমান একক শক্তিৰে বলীয়ান বিশ্বত একোখন ৰাষ্ট্রই কিদৰে কৌশলগত স্বতন্ত্রতা বৰ্তাই ৰাখিব পাৰে সেই সন্দৰ্ভত নেডাৰলেণ্ডছ আৰু ইউৰোপীয় ইউনিয়নে ভাৰতৰ সৈতে অধিক ঘণিষ্ঠ আলোচনাত মিলিত হোৱাৰ আৱশ্যকতা আছে।

ছদিনীয়া ভ্রমণসূচীৰে ৰাওনা হোৱা বিদেশমন্ত্রীগৰাকীয়ে ডেনমাৰ্ক আৰু জাৰ্মানীলৈও যাব। ড০ জয়শংকৰে তিনিওখন ৰাষ্ট্ৰৰে নেতৃবৰ্গক সাক্ষাৎ কৰাৰ লগতে দেশকেইখনৰ বিদেশ মন্ত্রীসকলৰ সৈতে দ্বিপাক্ষিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্রীয় বিষয়ৰ লগতে দ্বিপাক্ষিক সম্পৰ্ক অধিক উন্নত কৰাৰ উদ্দেশ্যে কেইবালানি আলোচনাত মিলিত হ'ব।

oooooo

কেন্দ্রই গঠন কৰি দিয়া সৰ্বদলীয় দলসমূহে বিভিন্ন ৰাষ্ট্র ভ্রমণ কৰি বিশ্ব নেতাসকলৰ আগত অপাৰেশ্বন সিন্দূৰৰ খতিয়ান দাঙি ধৰাৰ লগতে সন্ত্রাসবাদ দমনৰ বাবে ভাৰতে গ্রহণ কৰা পদক্ষেপৰ কথা প্রকাশ কৰিব। লে'হ ভ্রমণকালত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কেন্দ্রীয় সংসদীয় পৰিক্রমা আৰু সংখ্যালঘু উন্নয়ন দপ্তৰৰ মন্ত্রী কিৰেন ৰিজিজুৱে এইদৰে কয়। মন্ত্রীগৰাকীয়ে লগতে কয় যে প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে এই অপাৰেশ্বন সিন্দুৰৰ জৰিয়তে পাকিস্তানৰ পৃষ্ঠপোষকতা লাভ কৰা সন্ত্রাসবাদী সংগঠনসমূহ সমূলংশে নিপাত কৰিছে। লে'হৰ শ্রদ্ধাঞ্জলি উদ্যানত ১৯ সংখ্যক কুশক বকুলা ৰিনপোচেৰ এটা প্রতিমুৰ্তি উন্মোচনী অনুষ্ঠানত উপস্থিত থাকি মন্ত্রীগৰাকীয়ে এই মন্তব্য আগবঢ়াইছে। অনুষ্ঠানটোৰ

প্ৰসংগত মন্তব্য কৰি কিৰেণ ৰিজিজুৱে কয় যে ৰিনপোচেৰ প্ৰতিমুৰ্তি উন্মোচন কৰিবলৈ পাই তেওঁ সুখী অনুভৱ কৰিছে। উল্লেখযোগ্য যে বকুলা ৰিনপোচে লাডাখৰ এগৰাকী উল্লেখযোগ্য আধ্যাত্মিক তথা ৰাজনৈতিক নেতা আছিল। দুটা কাৰ্যকালৰ বাবে মংগোলীয়ৰ ৰাষ্ট্ৰদূত হিচাপে কাৰ্যনিৰ্বাহ কৰা ৰিনপোচেই ১৯১৮ চনত পদ্ম ভূষণ সন্মান লাভ কৰিছিল।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰীয় মন্ত্ৰী পিয়ুষ গোৱেলে লিখা এটা নিবন্ধ সামাজিক মাধ্যমত সকলোৱে পঢ়িব পৰাকৈ প্ৰচাৰ কৰিছে। তেওঁ কয়, যে Government e Marketplace চমুকৈ GeM, য়ে উপান্ত শ্ৰেণীৰ লোকসকলৰ বাবে নতুন দিগন্তৰ সূচনা কৰাৰ লগতে সঞ্চয়ো নিশ্চিত কৰিছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ মন্ত্ৰী পীয়ুষ গোৱেলে নিৱন্ধটোত কৈছে, যে ৰাজহুৱা বেপাৰ-বাণিজ্যৰ ডিজিটেল মঞ্চ Government e Marketplace চমুকৈ GeM, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰত ২০৪৭ অভিযানৰ লক্ষ্যৰ পথত গুৰুত্বপূৰ্ণ কাৰক হিচাপে পৰিগণিত হৈছে। এখন ইংৰাজী দৈনিক কাকতত লিখা এই নিবন্ধত মন্ত্ৰীগৰাকীয়ে কয়, যে এই মঞ্চৰ জৰিয়তে বজাৰত প্ৰৱেশৰ অন্তৰায়সমূহ দূৰ হোৱাৰ লগতে দুৰ্নীতি নিৰ্মূল হৈছে। তদুপৰি এই ব্যৱস্থাৰ ফলত বিশেষকৈ সৰু সৰু চহৰসমূহত উপান্ত শ্ৰেণীৰ লোকসকলৰ সৰলীকৰণ আৰু উন্নতি সাধনৰ লগতে কৰদাতাসকলৰ বৃহৎ পৰিমাণৰ ধন সঞ্চয় হোৱাটো সম্ভৱপৰ হৈ উঠিছে।

০০০০০০

কেন্দ্ৰীয় খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰী চিৰাগ পাছৱানে খাদ্য প্ৰসংস্কৰণৰ ক্ষেত্ৰত উন্নয়নৰ অপৰিসীম সম্ভাৱনা আছে বুলি মন্তব্য কৰিছে৷ তেওঁ লগতে কয় যে, বিহাৰৰ খাদ্য প্ৰসংস্কৰণ খণ্ডৰ সৈতে জড়িত লোকসকলে বিকশিত ভাৰত অভিযানত অৰিহণা যোগাব পাৰিব৷ পাটনাৰ জ্ঞান ভৱনত আয়োজিত দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰেতা আৰু বিক্ৰেতা সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহন কৰি মন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে৷

পাছৱানে কয় যে খাদ্য প্ৰক্ৰিয়াকৰণৰ এই খণ্ডত যুৱক-যুৱতীসকলৰ বাবে বহুতো সুযোগ আছে, এই খণ্ডত যোগদান কৰি তেওঁলোকে চাকৰি বিচৰাৰ পৰিৱৰ্তে আনৰ বাবে চাকৰি সৃষ্টি কৰিব পাৰিব৷ শ্ৰী পাছৱানে কয় যে এই খণ্ডত উন্নত পৰিৱেশ গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে হাতে হাত ধৰি একেলগে কাম কৰাৰ প্ৰয়োজন আছে৷ বিহাৰৰ উন্নত পৰিৱেশৰ বাবে কেৱল ভাৰতৰে নহয় বহুতো আন্তঃৰাষ্ট্ৰীয় বিনিয়োগকাৰীও ইয়াত বিনিয়োগ কৰিবলৈ সাজু হৈছে৷ ইয়াৰ বাবে তেওঁ বিহাৰৰ উন্নত বিমান সংযোগৰ প্ৰশংসা কৰিছে৷ শ্ৰী পাছৱানে কয় যে খাদ্য প্ৰক্ৰিয়াকৰণৰ ক্ষেত্ৰত ৰপ্তানি বৃদ্ধি কৰাৰ জৰিয়তে ভাৰতে বিদেশী মুদ্ৰাও লাভ কৰিব৷ উল্লেখযোগ্য যে, এই উদ্বোধনী অনুষ্ঠানত বিহাৰৰ উপ-ৰাজ্যপাল বিজয় কুমাৰ সিনহা আৰু উদ্যোগ মন্ত্ৰী নিতীশ মিশ্ৰও উপস্থিত আছিল৷

০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ন বজাত **যক্ষ্মা ৰোগৰ প্ৰতিকাৰ তথা প্ৰতিৰোধ** সন্দৰ্ভত নতুন দিল্লীৰ চফদৰজং চিকিৎসালয়ৰ হাওফাওৰ ৰোগ বিভাগৰ মুৰব্বী চিকিৎসক ডাঃ ৰোহিত কুমাৰ আৰু সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ একে বিভাগৰ সহযোগী অধ্যাপক ডাঃ সৌৰভ

মিট্টালৰ সৈতে হোৱা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি চিকিৎসককেইগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। আগ্ৰহীসকলে ৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০০

পাকিস্তানৰ বেলুচিস্তানৰ কিল্লা আব্দুল্লা জিলাৰ জববৰ মাৰ্কেটৰ কাষৰীয়া এলেকাত সংঘটিত এটা বিস্ফোৰণত ৪ জন লোক নিহত হোৱাৰ লগতে আন কুৰিজন লোক আহত হয়। সংবাদ মাধ্যমৰ মতে কালি সংঘটিত ৮ গৰাকীকৈ লোক গুৰুতৰভাৱে আহত হৈছে। এই বিস্ফোৰণৰ ফলত এটা ভৱন বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱাৰ লগতে কেইবাখনো দোকান ভাগি পৰাৰ লগতে অগ্নিকাণ্ডও সংঘটিত হয়। এই বিস্ফোৰণৰ পাছতেই অচিনাক্ত আক্ৰমণকাৰী আৰু সুৰক্ষা কৰ্মীৰ মাজত কিছুসময়ৰ বাবে গুলীয়াগুলিও সংঘটিত হয়। নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠন তেহৰিক ই তালিবান পাকিস্তান চমুকৈ টিটিপিয়ে ঘটনাটো সংঘটিত কৰা বুলি স্বীকাৰ কৰিছে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৫ দিনত উত্তৰ-পূৰ্বাঞ্চলৰ লগতে হিমালয়ৰ পাদদেশৰ পশ্চিমবংগ আৰু ছিকিমত বিজুলি ঢেৰেকণিৰ সৈতে ধাৰাষাৰৰ পৰা অতি প্ৰবল বৰষুণৰ আগলি বতৰা দিছে। এই সময়ছোৱাত কোংকাণ, গোৱা, কৰ্ণাটক আৰু কেৰালাৰ উপকূলীয় অঞ্চলসমূহতো ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বিভাগে লগতে জম্মু-কাশ্মীৰ, লাডাখ, গিলগিট বাল্টিস্তান, মুজাফ্ফৰবাদ আৰু হিমাচল প্ৰদেশতো আজি আৰু কাইলৈ বতাহ, আৰু বিজুলী গাজনিৰে সৈতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি আগজাননী দিছে। উত্তৰাখণ্ডতো ঠায়ে ঠায়ে অহা ২৪ মে'লৈকে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ মতে, ২২ মে'ৰ আশে-পাশে কৰ্ণাটক উপকূলৰ পূব মধ্য আৰৱ সাগৰৰ ওপৰত নিম্ন চাপ উদ্ভৱ হোৱাৰ সম্ভাৱনা আছে। উত্তৰ দিশলৈ এই নিম্ন চাপ ক্ৰমাৎ তীব্ৰতৰ হৈ মহাৰাষ্ট্ৰৰ বতৰত যথেষ্ট পৰিৱৰ্তন হোৱাৰ সম্ভাৱনা আছে। মহাৰাষ্ট্ৰ উপকূলত বিশেষকৈ কোংকান আৰু গোৱাৰ সমীপত ধুমুহা-বৰষুণৰ সম্ভাৱনা থকাৰ পৰিপ্ৰেক্ষিতত অহা ৫ দিনৰ বাবে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে মাছমৰীয়াসকলৰ বাবে সতৰ্কবাণী জাৰি কৰিছে।

০০০০০০

উচ্চতম ন্যায়ালয়ে আজি উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশসকলকে ধৰি সকলো ন্যায়াধীশে সম্পূৰ্ণ পেন্সনৰ লগতে অৱসৰৰ সকলো সা সুবিধা লাভ কৰিব বুলি এটা গুৰুত্বপূৰ্ণ শুনানী জাৰি কৰিছে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সকলে বছৰি ১৫ লাখ টকাৰ পেন্সন হিচাপে লাভ কৰিব বুলি শুনানীটোত কোৱা হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ মে'ৰ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ শ্ৰোতাৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২২ সংখ্যক খণ্ড। জনসাধাৰণে তেওঁলোকৰ দিহা পৰামৰ্শ টোল ফ্ৰি নম্বৰ ১৮০০ ১১ ৭৮০০ ৰ জৰিয়তে জনাব পাৰিব। লগতে মাই গভ মুকলি মঞ্চ আৰু নমো এপৰ জৰিয়তেও দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। এই মাহৰ ২৩ তাৰিখলৈ দিহা পৰামৰ্শ সমূহ গ্ৰহণ কৰা হ'ব।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্নৌ ছুপাৰ জায়েণ্টছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। টছত জিকি ছানৰাইজাৰ্ছ হায়দৰাবাদে-লক্ষ্নৌ ছুপাৰ জায়েণ্টছক প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ জনায়। খেলখন লক্ষ্নৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ষ্টেডিয়ামত অনুষ্ঠিত হৈছে।

oooooo

সমাপ্ত